বনমানুহ টাৰজান



কিৰণ চন্দ্ৰ শৰ্মা

কাকলি প্রকাশন

টাৰজান ছিৰিজ ১

নং

বনমানুহ টাৰজান

Sri Bikash Dihingia

বনমানুহ টা

মূল ঃ এড্‌গাৰ ৰাইচ্‌ বাৰোজ্‌

অনুবাদ ঃ কিৰণ চন্দ্র শর্মা

কাকলি প্রকাশন

যোৰহাট

Bonn : *A Novel for Children,*
writt *Rice Barudge, Translated by*
Kiran Chandra Sarma and published by Kakoli
Prakashan, Jorhat, Assam.

Price : Rupees Twenty five Only.

প্ৰকাশক	ঃ	কাকলি প্ৰকাশন যোৰহাট, অসম
গ্ৰন্থস্বত্ব	ঃ	লেখকৰ
প্ৰথম প্ৰকাশ	ঃ	নবেম্বৰ, ২০০৫
বেটুপাত আৰু স্কেচ	ঃ	ৰবীন বৰুৱা
অলংকৰণ	ঃ	দেৱব্ৰত মহন্ত
মূল্য	ঃ	২৫.০০ টকা
মুদ্ৰণ	ঃ	ইউনাইটেড প্ৰিণ্টাৰ্ছ এণ্ড পাব্লিচাৰ্ছ গুৱাহাটী-২১

অনুবাদকৰ একাষাৰ ঃ

এড্‌গাৰ ৰাইচ্‌ বাৰোজ্‌ৰ 'টাৰজান' কুৰি শতিকাৰ বিশ্ব সাহিত্যৰ অন্যতম অমৰ সৃষ্টি। কুৰি শতিকাৰ ষষ্ঠ দশকত ছাত্রাৱস্থাত থাকোঁতেই টাৰজানৰ ৰোমাঞ্চকৰ কাহিনীসমূহৰ দুই-এখন অসমীয়া ভাষাত পঢ়িবলৈ পাইছিলোঁ। এখন পঢ়ি উঠাৰ পাছত টাৰজানৰ বাকী কাহিনীসমূহো পঢ়াৰ আগ্রহ জন্মিছিল যদিও সেই সময়ত দুই-এখনৰ বাদে বাকী গ্রন্থসমূহৰ অসমীয়া ভাষালৈ অনুবাদ হোৱা নাছিল। পৰৱৰ্তী সময়ত বিশ্ববিদ্যালয়ত পঢ়ি থকা সময়ছোৱাত ইংৰাজী ভাষাত বাৰোজৰ টাৰজান গ্রন্থসমূহ পঢ়াৰ সৌভাগ্য হৈছিল।

শৈশৱ তথা কৈশোৰৰ সময়ছোৱাত টাৰজান ৰচনাসমূহে মনৰ মাজত অভাৱনীয় শিহৰণৰ সৃষ্টি কৰিছিল। সেই আপাহতে পৰৱৰ্তীকালত টাৰজান সম্পৰ্কীয় দুই-এখন ইংৰাজী চিনেমাও চাইছিলোঁ। টাৰজান, লেখক এড্‌গাৰ ৰাইচ্‌ বাৰোজৰ কল্পনাপ্রসূত এক অতি আশ্চর্য্যকৰ চৰিত্র। লিখকে সামৰিক বাহিনীৰ চাকৰিত যোগদান কৰাৰ পাছত আৰিজোনাৰ বিপদসংকুল অৰণ্য আৰু মৰুভূমি অঞ্চলৰ মাজত লাভ কৰা ৰোমাঞ্চকৰ অভিজ্ঞতাৰে পুষ্ট হৈ যুদ্ধৰ শেষত নিজৰ জন্মস্থান আমেৰিকাৰ চিকাগো নগৰলৈ ঘূৰি অহাৰ পাছতহে টাৰজান ৰচনাসমূহৰ সৃষ্টি হয়। টাৰজান নামেৰে শ্বেতাংগ মানুহ এজন আফ্রিকাৰ গভীৰ অৰণ্যত বনমানুহৰ মাতৃকোলাত ডাঙৰ-দীঘল হৈ বন্য জীৱন-যাপন কৰা কাহিনীৰ পটভূমিত প্রথমখন উপন্যাস 'টাৰজান অৱ ডি এপচ্‌' ১৯১৪ চনত প্রকাশ হোৱাৰ পাছত সেই সময়ত সমগ্র বিশ্বতে পাঠক সমাজৰ মাজত টাৰজানৰ কাহিনী লৈ তোলপাৰ লাগিছিল। নামত শিশু সাহিত্য হ'লেও সেই ৰচনাই সকলো বয়সৰে পাঠকক আলোড়িত কৰি তুলিছিল।

মানৱ সন্তান টাৰজান, ঘটনাচক্রত পৰি এক অভাৱনীয় পৰিস্থিতিত আফ্রিকাৰ গভীৰ অৰণ্যত বনমানুহৰ মাতৃস্নেহৰ মাজত ডাঙৰ-দীঘল হ'ব লগা হৈছিল। অৰণ্যৰ সকলো প্রাণীৰে গতি-বিধি, চাল-চলন, হাৱ-ভাৱৰ লগতে প্রতিজোপা গছৰ প্রতিখিলা পাতৰ, প্রকৃতিৰ নিজস্ব ভাষা আছিল টাৰজানৰ নখদর্পণত। মানৱ মস্তিস্কৰ পৰিচালনাৰ বলত টাৰজান হৈ উঠিছিল অৰণ্যৰ অবিসম্বাদী ৰজা। অৰণ্যৰ সকলোবোৰ হিংস্র বন্যপ্রাণীয়ে টাৰজানক আপোন কৰি লৈ সহযোগিতা ৰক্ষা কৰি চলিছিল। বনমানুহৰ উপৰি বনৰ সিংহ, বাঘ, হাতী, আনকি বান্দৰ আদি ক্ষুদ্র প্রাণীয়েও বিভিন্ন বিপদৰ মাজত টাৰজানৰ প্রতি সহায়ৰ হাত আগ বঢ়াই অনিবার্য্য বিপদৰ পৰা উদ্ধাৰ কৰি আহিছে। আত্মৰক্ষা নাইবা খাদ্যৰ প্রয়োজনৰ বাদে বিনা কাৰণত বন্যপ্রাণীয়ে যে অন্য কোনো প্রাণীকে হত্যা নকৰে, সেই শাশ্বত সত্য টাৰজানৰ প্রতিখন গ্রন্থতে সুন্দৰভাৱে প্রতিফলিত হৈছে। নিজকে জীৱশ্রেষ্ঠ বুলি প্রতিপন্ন কৰিব খোজা মানুহৰ বাদে অন্য প্রাণীয়ে অকাৰণত কেতিয়াও যে প্রাণী হত্যা নকৰে, এই চিৰন্তন সত্যও

টাৰজান ৰচনাসমূহত প্ৰতিফলিত হৈছে।

টাৰজানৰ কাহিনীসমূহৰ মাজেৰে তেওঁৰ অসাধাৰণ পৰাক্ৰম, বন্য সহনশীলতা, দুষ্টক দমন কৰি বাকীসকলক ৰক্ষা কৰা, মনৰ আনন্দত চিকাৰ কৰিবৰ উদ্দেশ্যেৰে অৰণ্যত প্ৰৱেশ কৰাসকলক নিৰ্দিষ্ট এলেকাত প্ৰৱেশ কৰাত বাদা দিয়া, বন্য সমাজত নাৰীৰ প্ৰাধান্য, সভ্য-সমাজৰ মাজলৈ ঘূৰি আহি স্বাৰ্থপৰ মানুহৰ মাজত তিষ্ঠিব নোৱাৰি পুনৰ গভীৰ অৰণ্যলৈ ঘূৰি যোৱা, তেনে পৰিস্থিতিত সৃষ্টি হোৱা মানসিক অন্তৰ্দ্বন্দ্ব, বন্য সমাজত গঢ়ি উঠা আন্তৰিকতা আদিৰ বৰ্ণনা অতি নিখুঁতভাৱে প্ৰকাশ পাইছে।

ইংৰাজী ভাষাৰ গ্ৰন্থসমূহ অসমৰ সকলো শিশু নাইবা কিশোৰৰ পক্ষে পঢ়াটো সম্ভৱ নহয়। সেয়া মুষ্টিমেয় এচাম পাঠকৰ মাজতে সীমাবদ্ধ হৈ আছে। ইতিপূৰ্বে অসমীয়া ভাষাত যি দুই-এখন গ্ৰন্থ প্ৰকাশ পাইছিল তাকো আজি পাবলৈ নাই। সেই গ্ৰন্থসমূহ অসমীয়া ভাষালৈ অনুবাদ কৰি প্ৰকাশ কৰিব পাৰিলে আমাৰ পাঠক সমাজ যথেষ্ট উপকৃত হ'ব বুলি ভাবিব পাৰি যদিও তাৰ মাজতে এটা চিন্তা অহৰহ মনলৈ আহে যে সাম্প্ৰতিক ইণ্টাৰনেট প্ৰযুক্তি বিদ্যাৰ যুগত এই গ্ৰন্থসমূহ আজিৰ চামে বা কেনেদৰে গ্ৰহণ কৰে!

টাৰজানৰ চৰিত্ৰক লৈ ৰচনা কৰা গ্ৰন্থসমূহ ইতিমধ্যে পৃথিৱীৰ বিভিন্ন ভাষাত প্ৰকাশ পোৱাৰ উপৰি সেই কাহিনীসমূহক লৈ চলচ্চিত্ৰ, কমিক্চ আদিও ৰচনা হৈছে। কিন্তু চলচ্চিত্ৰৰ ৰূপ দিবলৈ যাওঁতে চিত্ৰনাট্যকাৰসকলে নিজস্ব চিন্তাধাৰাৰে মূল কাহিনীৰ পৰিৱৰ্তনো ঘটাইছে। টাৰজানৰ জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য ৰাখি এডগাৰ ৰাইচ্ বাৰোজৰ পৰৱৰ্তী সময়ছোৱাতো টাৰজানৰ নামত একাধিক লেখকে বিভিন্ন কাহিনী ৰচনা কৰি প্ৰকাশ কৰিছে। এই অনুৱাদত তেনেধৰণৰ উপৰুৱা কাহিনীসমূহ বাদ দি কেৱল বাৰোজৰ ৰচনাসমূহহে সামৰা হৈছে। তেনে মুঠ চব্বিশখন গ্ৰন্থ আমাৰ হাতত পৰিছে আৰু সেই সকলোখিনি পৰ্যায়ক্ৰমে প্ৰকাশ কৰাৰ চিন্তা কৰা হৈছে। গ্ৰন্থখিনি অনুবাদ কৰোঁতে আক্ষৰিক অনুবাদ নকৰি যথাসম্ভৱ সহজ অসমীয়া ভাষাত শিশু আৰু কিশোৰৰ উপযোগী কৰি তোলাৰ চেষ্টা কৰা হৈছে।

যোৰহাটৰ কাকলি প্ৰকাশনে গ্ৰন্থসমূহ পৰ্যায়ক্ৰমে প্ৰকাশ কৰি পাঠক সমাজৰ মাজলৈ উলিয়াই দিবলৈ আগ বাঢ়ি অহাৰ বাবে প্ৰতিষ্ঠানটোৰ স্বত্ত্বাধিকাৰী শ্ৰীমতী কাকলি বৰাৰ আন্তৰিক শলাগ লৈছোঁ। গ্ৰন্থসমূহে পাঠক সমাজৰ মনোৰঞ্জনৰ লগতে অন্তৰত ৰোমাঞ্চকৰ অনুভূতি জাগ্ৰত কৰিব পাৰিলে আমাৰ শ্ৰম সাৰ্থক হোৱা বুলি ভাবিব পাৰিম।

কিৰণ চন্দ্ৰ শৰ্মা

১-১১-০৫

টাৰজান চিৰিজৰ প্ৰকাশিত আৰু প্ৰকাশ হ'ব লগা গ্ৰন্থসমূহ ঃ

১) বনমানুহ টাৰজান
২) টাৰজান উভতি আহিল
৩) টাৰজানৰ বন্যবন্ধু
৪) টাৰজানৰ পুত্ৰ
৫) অপাৰৰ ৰত্নভাণ্ডাৰত টাৰজান
৬) অৰণ্যত টাৰজান
৭) দুৰন্ত টাৰজান
৮) ভয়াবহ টাৰজান
৯) টাৰজান আৰু ভগ্ন সাম্ৰাজ্য
১০) টাৰজান আৰু সোণালী সিংহ
১১) টাৰজান আৰু পিপৰা মানৰ
১২) অৰণ্যৰাজ টাৰজান
১৩) অজেয় টাৰজান
১৪) টাৰজান ট্ৰামফাণ্ট
১৫) টাৰজান এট্ দি আৰ্থচ্ ক'ৰ
১৬) টাৰজান আৰু স্বৰ্ণ নগৰী
১৭) টাৰজান আৰু সিংহমানৰ
১৮) টাৰজান আৰু ব্যাঘ্ৰমানৰ
১৯) টাৰজান কোৱেষ্ট
২০) টাৰজান এণ্ড দি ফৰবিদন চিটি
২১) টাৰজান দি মেগনিফিচিয়েণ্ট
২২) টাৰজান এণ্ড দি ফৰেন লিজিয়ন
২৩) টাৰজান এণ্ড দি মেড মেন
২৪) টাৰজান এণ্ড দি কাষ্টওৱেজ

কাকলি প্ৰকাশনৰ পৰৱৰ্তী আকৰ্ষণ ঃ

চাৰ আৰ্থাৰ ক'নান ডয়েলৰ বিশ্ববিখ্যাত ৰহস্য কাহিনী –

চাৰ্লক হোমচ্ৰ অসমীয়া অনুবাদ

চাৰ্লক হোমচৰ সকলো ৰহস্য কাহিনী মুঠ নখন গ্ৰন্থত সন্নিৰিষ্ট হ'ব।